জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১২/২০২৩**

# ভোগালী বিহু উপলক্ষে অসমবাসীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ১৩ জানুৱাৰী** ঃ ভোগালী বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমবাসীলৈ আন্তৰিক ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভোগালী বিহু বা মাঘ বিহুৰ বিভিন্ন লোকাচাৰে অসমীয়া সংস্কৃতি আৰু আধ্যাত্মিক জীৱনবোধক শক্তিশালী কৰি আহিছে। এই বিহু উদ্‌যাপনৰ সৈতে সনাতন সভ্যতা আৰু সংস্কৃতিৰ এক সম্পৰ্ক আছে। এই লোক-উৎসৱে প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড়তাকে সূচায়। মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি ভিত্তিক এই উৎসৱে আমাৰ লোক-সংস্কৃতিকো সমৃদ্ধ কৰি আহিছে। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে লগে-ভাগে ভোগালীৰ এসাজ আনন্দেৰে খাই-বৈ মেজি প্ৰজ্বলনৰ জৰিয়তে অপশক্তিসমূহক নাশ কৰি জাতিসত্ত্বাক উজ্জীৱিত কৰাৰ সপোন ৰচে এই ভোগালীৰ সময়তে। ভোগালীৰ সৈতে কৃষি অৰ্থনীতি আৰু কৰ্মমুখী চেতনা ওতপ্ৰোতভাৱে জড়িত হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই ভোগালী বিহুৰ এই শুভক্ষণত নতুন উদ্যমেৰে ৰাজ্যখনক সৰ্বদিশতে আগুৱাই নিয়াৰ বাবে সংকল্পবদ্ধ হ'বলৈও সকলোকে আহ্বান জনায়।

**পুঃডেঃ**
**১৩/১/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in